For members only

# যোগাযোগ

**JOGAJOG**
**December : 2017**

**Vol : 10 No: 3 Sl No: 111**

**Monthly Newsletter of Assam Association, Delhi**

*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com



## অসম এছোচিয়েছন, দিল্লীৰ কাৰ্য্যনিৰ্বাহকৰ বৈঠক

যোৱা ৩ ডিচেম্বৰ, দেওবাৰে অসম এছোচিয়েছন, দিল্লীৰ কাৰ্য্যনিৰ্বাহক কমিটিৰ এখন বৈঠক অনুষ্ঠিত হৈ যায়। এই বৈঠকতে মাঘ বিহু তথা অসম এছোচিয়েছন, দিল্লীৰ বাৰ্ষিক ক্ৰীড়া দিৱস অহা ২১ জানুৱাৰী ২০১৮, দেওবাৰে উদ্‌যাপন কৰাৰ সিদ্ধান্ত লোৱা হয়। এই উদ্‌যাপনৰ বিভিন্ন কাৰ্য্যসূচী সুচাৰুৰূপে চলাই নিবলৈ কেবাখনো উপ-কমিটি গঠন কৰি দিয়া হয়। উদ্‌যাপনৰ প্ৰস্তুতিমূলক কামকাজবোৰ সময়মতে কৰি নিয়া হৈছে নে নাই সেই সন্দৰ্ভত এছোচিয়েছনৰ সভাপতিয়ে সময়ে সময়ে নিজেই এই কমিটিসমূহৰ কামৰ খতিয়ান ল'ব বুলি জানিবলৈ দিয়ে।

যোৱা ১৮ নৱেম্বৰ,২০১৭ত অসম এছোচিয়েছন সাংস্কৃতিক আৰু শৈক্ষিক ন্যাসৰ মেনেজিং ট্ৰাষ্ট্ৰী হিচাপে হৰেকৃষ্ণ দাসে দায়িত্বভাৰ গ্ৰহণ কৰে।

## 'উৰুলি'ৰ বাৰ্ষিক দিৱস উদ্‌যাপন

যোৱা ১১ নৱেম্বৰ ২০১৮ তাৰিখে দিল্লীৰ লোডী ৰোডস্থিত চিন্ময় মিচন প্ৰেক্ষাগৃহত 'উৰুলি'য়ে দ্বিবাৰ্ষিক দিৱস উদ্‌যাপন কৰে। পৰম্পৰাগতভাৱে 'উৰুলি'ৰ বয়োজ্যেষ্ঠ সদস্যা তথা উপদেষ্টা নিৰু বৰুৱা, উপ-সভানেত্ৰী নিজৰা গগৈ, নীভা বৰা, ৰুমা শইকীয়া আৰু অন্যান্য বিষয়ববীয়া সকলে বন্তি

প্ৰজ্বলন কৰি এই দিৱস উদ্‌যাপনৰ শুভাৰম্ভ কৰে। সভানেত্ৰী ৰুমী শৰ্ম্মাই 'উৰুলি'ৰ সদস্যাসকলকে ধৰি উপস্থিত ৰাইজক আদৰণি জনোৱাৰ পাছতে সদস্যাসকলে সমৱেত সঙ্গীত পৰিৱেশন কৰে। মূল সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিতে 'উৰুলি' নামৰ মুখপত্ৰ খনিৰ উন্মোচন কৰে অনুষ্ঠানলৈ আমন্ত্ৰণ কৰি অনা বিশিষ্ট অতিথি ভাৰতীয় প্ৰশাসনিক সেৱাৰ ঋত্বিকা কলিতা আৰু ভাৰতীয় পুলিচ সেৱাৰ সংযুক্তা পৰাশৰে। ইয়াৰ পাছতে মূৰ্চ্ছনা বৰকাকতিয়ে গীত পৰিৱেশন কৰে। 'উৰুলি'ৰ কেইগৰাকীমান সদস্যাই পৰিৱেশন কৰা নাটক ''বিয়নীৰ মেল'' অতি উপভোগ্য হৈছিল। সেইদিনা সন্ধিয়াৰ মূল আকৰ্ষণ আছিল গুৱাহাটীৰ ''দৰ্পণ ডান্স অকাডেমী''ৰ শিল্পীসকলে নাট্যৰূপ দিয়া চিত্ৰাংগদা নামৰ নৃত্য নাটিকাৰ সফল পৰিৱেশন। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰিছিল তৃষ্ণা বৰকাকতিয়ে। উৰুলিৰ সাধাৰণ সম্পাদিকা ইনু নাথৰ শলাগৰ শৰাইৰ পাছতে বাৰ্ষিক দিৱস উদ্‌যাপনৰ সামৰণি পৰে।

## নৰ্থ ইষ্ট ফেষ্টিভেল

যোৱা ৩-৫ নৱেম্বৰত নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ চৌহদত পঞ্চমবাৰৰ বাবে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজন কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ বাৰেবৰণীয়া কলা-সংস্কৃতি তথা পৰ্যটনৰ প্ৰচাৰ আৰু প্ৰসাৰেই আছিল এই ফেষ্টিভেলৰ মূল উদ্দেশ্য। লক্ষ্যাধিক লোকে এই ফেষ্টিভেলৰ সৈতে আয়োজিত সাংস্কৃতিক কাৰ্য্যসূচী, প্ৰদৰ্শনী আৰু খাদ্য আদি উপভোগ কৰে।

## 'সাময়িক'ৰ বাবে লিখা বিচৰা হৈছে

অসম এছোচিয়েছন, দিল্লী'ৰ মুখপত্ৰ 'সাময়িক'ৰ ভোগালী বিহু ২০১৮ সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা আদি বিচৰা হৈছে। লেখাসমূহ তলত দিয়া ধৰণে হ'ব লাগিব ঃ- (১) এটা প্ৰতিলিপি নিজৰ হাতত ৰাখিহে লিখাসমূহ পঠাব। অপ্ৰকাশিত লিখাসমূহ ঘূৰাই পঠোৱা নহ'ব। (২) বিতৰ্কিত বিষয় অথবা কোনো ব্যক্তি বা সম্প্ৰদায়ক হেয় কৰি লিখা কোনো ধৰণৰ ৰচনা প্ৰকাশ কৰা নহ'ব। (৩) লিখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্চনীয়। দুটা শব্দ আৰু শাৰীৰ মাজত যথেষ্ট ঠাই এৰিব লাগিব। (৪) অতি পৰিষ্কাৰকৈ ফুলস্কেপ (A-4 Size) কাগজৰ এপিঠিত লিখিব। চাৰিওফালে কমেও আহৈ চে.মি. কৈ ঠাই এৰিব। (৫) লেখকৰ ফোন নম্বৰ, ঠিকনা তথা একপি পাচপ'ৰ্ট চাইজৰ ফটোসহ লিখাসমূহ অহা ৩০ ডিচেম্বৰ, ২০১৭ৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনাত পঠাব ঃ-

Manik Chandra Dash, Editor, SAMAYIK,
C/O Dr. Rampal singh, H No. 112 (2nd Floor),
Gali No. 4, Opposit ICICI Bank ATM,IG
Main IGNOU Road, New Delhi-110068
E-mail : manikdash@yahoo.co.in, Ph No: 9810704392

## অসম দিৱস

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলাৰ সৈতে সংগতি ৰাখি যোৱা ১৯ নৱেম্বৰৰ দিনা নতুন দিল্লীৰ প্ৰগতি মৈদানৰ হংসধ্বনি থিয়েটাৰত অসম দিৱস পালন কৰা হয়। অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য আয়ুক্ত তথা আৱাসিক আয়ুক্তৰ প্ৰচেষ্টাত আয়োজিত এই অসম দিৱসত বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্য্যসূচীৰ আয়োজন কৰা হয়। পৰম্পৰাগত বিভিন্ন নৃত্য, গীত আদিৰে সজাই তোলা সাংস্কৃতিক সন্ধিয়াটি উপস্থিত ৰাইজে উপভোগ কৰে আৰু সকলোৱে ইয়াৰ শলাগ লয়।

## ৰাস লীলা

নতুন দিল্লীৰ সংগীত নাটক অকাডেমীৰ সৌজন্যত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়, তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত, নতুন দিল্লীৰ সংগীত নাটক অকাডেমীৰ চৌহদত অৱস্থিত মেঘদূত থিয়েটাৰৰ মুকলি মঞ্চত, যোৱা ৫ নৱেম্বৰৰ সন্ধিয়া শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা উপস্থাপন কৰা হয়। বি বি ক্ৰিয়েছনৰ উদ্যোগত বসন্ত-ববীয়ে নিবেদন কৰা তথা জিতেন শৰ্মাৰ দ্বাৰা ৰচিত আৰু বসন্ত কুমাৰ বৰুৱাৰ দ্বাৰা পৰিচালিত এই সম্পূৰ্ণ ৰাসলীলাত অসমৰ মঞ্চ, চলচ্চিত্ৰ আৰু ধাৰাবাহিকত অভিনয় কৰা বহুতো জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীৰ মনোমোহা অভিনয়েৰে উপস্থিত ৰাইজক আপ্লুত কৰে।

## মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় সাহিত্য বঁটা প্ৰদান

যোৱা ২৯ আৰু ৩০ নৱেম্বৰত নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ প্ৰেক্ষাগৃহত 'মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় সাহিত্য বঁটা' আৰু অসম সাহিত্য সভাৰ শতবৰ্ষ উদ্‌যাপন উপলক্ষে এলানি কাৰ্য্যসূচীৰ আয়োজন কৰা হয়। অসম সাহিত্য সভা আৰু দিল্লীস্থ সামাজিক সাংস্কৃতিক অনুষ্ঠান 'সমন্বয়'ৰ যৌথ উদ্যোগত উক্ত কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছিল। প্ৰসিদ্ধ কানাড়া কবি, চিত্ৰনাট্য লেখক, বোলছবি নিৰ্মাতা, সংগীত নাটক অকাডেমী আৰু জ্ঞানপীঠ বঁটা বিজয়ী পদ্মশ্ৰী ডঃ চন্দ্ৰশেখৰ কাম্বাৰালৈ এইবাৰৰ 'মামণি ৰয়ছম গোস্বামী ৰাষ্ট্ৰীয় সাহিত্য বঁটা' আগবঢ়োৱা হয়। কেন্দ্ৰীয় তথ্য, প্ৰযুক্তি আৰু আইন মন্ত্ৰী ৰৱি শংকৰ প্ৰসাদে আন বহুতো গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত ডঃ চন্দ্ৰশেখৰক এই বঁটা প্ৰদান কৰে। উল্লেখযোগ্য যে, নুমলীগড় তেল শোধনাগাৰৰ আৰ্থিক অনুদানৰ দ্বাৰা এই ৰাষ্ট্ৰীয় সাহিত্য বটাঁটি প্ৰৱৰ্তন কৰা হয়। এই বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি অসম সাহিত্য সভাই এখনি মুকলি সভাৰো আয়োজন কৰে।

## অসম এছোচিয়েছন, দিল্লীৰ আজীৱন সদস্য হওক

অসম এছোচিয়েছন, দিল্লীৰ সদস্য হ'বলৈ ইচ্ছুক ব্যক্তিসকলে প্ৰয়োজনীয় ফৰ্ম পূৰাই সদস্যতাৰ বাবে আবেদন কৰিব পাৰিব। আবেদনকাৰীসকলে নিজৰ পাচপৰ্ট আকাৰৰ এখনকৈ ফটো আৰু লগতে আজীৱন সদস্যতাৰ মাচুল (২৫০০ টকা) জমা দিব লাগিব। স্বামী-স্ত্ৰী দুয়ো সদস্যতা ল'ব খোজা দম্পতীয়ে মুঠতে ৪০০০ টকা দিব লাগে।সদস্যতাৰ মাচুল কেৱল "Assam Association, Delhi"-ৰ নামত চে'ক যোগেহে লোৱা হয়। সদস্যতা বিচাৰি জমা দিয়া আবেদন পত্ৰবোৰ এছোচিয়েছনৰ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠকত বিবেচনা কৰাৰ পিছতহে গৃহীত হয়।


Matrimonial

## Matrimonial

Alliance invited for a highly educated (MPhil & PhD) 30years kalita girl, Research Fellow under Ministry of External Affairs, height 5ft 3inches, Rashi-Meen, caste no bar. Contact +91 9435011742/+91 9957824055

3/3


**Advertisement rates:**

| | Monthly (1 Issue) | Yearly (12 Issues) |
|---|---|---|
| Full page : | Rs. 2500/- | Rs. 25,000/- |
| Half page : | Rs. 1800/- | Rs. 16,000/- |
| Quarter page : | Rs. 800/- | Rs. 8000/- |


-Advertisement-

# Packers & Movers

## Assam Dooars Logistics

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)

12/12